# অসম লোকসেৱা আয়োগ

## খানাপাৰা, গুৱাহাটী-৭৮১০২২

**বিজ্ঞপ্তি**

২০১৩ চনৰ সংযুক্ত প্ৰতিযোগিতা মূলক (মূল) পৰীক্ষাৰ বাবে যোগ্যতা অৰ্জন কৰা প্ৰাৰ্থী সমূহৰ মনযোগ আকৰ্ষণ কৰা হল যে-

১) অহা ইংৰাজী ২০-২-২০১৪ তাৰিখৰ পৰা উক্ত পৰীক্ষাৰ বাবে যোগ্যতা অৰ্জন কৰা প্ৰাৰ্থী সকললৈ আয়োগৰ জৱাহৰনগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২ কাৰ্য্যালয়ৰ পৰা কাৰ্য্যালয় খোলা থকাৰ সময়ত নিৰ্দিষ্ট প্ৰ-পত্ৰ প্ৰদান কৰা হব।

২) প্ৰাৰ্থী সকলে যোৱা সংযুক্ত প্ৰতিযোগিতা মূলক(প্ৰাৰম্ভিক) পৰীক্ষাৰ প্ৰবেশ পত্ৰ দাখিল কৰিব লাগিব । অন্যথাই প্ৰ পত্ৰ দিয়া নহব।

৩) কোনো প্ৰাৰ্থীলৈকে ব্যক্তিগত ভাবে ডাকযোগে প্ৰ পত্ৰ দিয়া নহব ।

৪) সকলো যোগ্য প্ৰাৰ্থীকে আয়োগৰ কাৰ্য্যালয়ৰ পৰা কাৰ্য্যালয়ৰ সময়ৰ ভিতৰত- (বন্ধ দিনৰ বাহিৰে) উক্ত প্ৰ পত্ৰ সংগ্ৰহ কৰিবলৈ জনোৱা হল।

৫) সঠিক ভাৱে পূৰণ কৰা প্ৰপত্ৰসমূহৰ লগত প্ৰাৰ্থীসকলে নিম্নলিখিত শিতানত ট্ৰেজাৰী চালানযোগে পৰীক্ষাৰ মাচুল বাবদ ৫০.০০টকা ( অনুসূচীত জাতি, জনজাতি সকলৰ বাবে ২৫.০০ টকা) জমা দিব লাগিব । তদুপৰি প্ৰপত্ৰখনৰ মূল্য বাবদ ৫.০০ টকা(অনুসূচীত জাতি, জনজাতিৰ বাবে ২.৫০ টকা) উক্ত শিতানত জমা দিব লাগিব । কিন্তু নিবনুৱা প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত প্ৰপত্ৰৰ মুল্য ৰেহাই দিয়া হৈছে। **"NON TAX REVENUE OTHER NON TAX REVENUE 0051PUBLIC SERVICE COMMISSION-102 STATE PUBLIC SERVICE COMMISSION APPLICATION/EXAMINATION FEE RECEIPT OF ASSAM PUBLIC SERVICE COMMISSION."**

৬) সঠিকভাৱে পূৰণ কৰা প্ৰপত্ৰ সমূহ, ট্ৰেজাৰী চালানৰ মূলকপি আৰু অন্যান্য নথি পত্ৰ সমূহৰ জেৰেক্স কপি ফটোসহ এটা খামৰ ভিতৰত ভৰাই খামটো বন্ধ কৰি লগতে খামৰ ওপৰত 'সংযুক্ত প্ৰতিযোগিতা মূলক (মূল) পৰীক্ষা,২০১৩' বুলি লিখি আয়োগৰ কাৰ্য্যালয়ত ২০-৩-২০১৪ ইং তাৰিখৰ আবেলি ৪.৩০ বজা পৰ্য্যন্ত দাখিল কৰিব পাৰিব। সকলো নথিপত্ৰ প্ৰাৰ্থীজনে নিজ চহীৰে প্ৰত্যায়িত কৰি দিব লাগিব।

৭) প্ৰপত্ৰ গ্ৰহণৰ বাবে নিৰ্দ্ধাৰিত শেষদিনৰ পাছত কোনো প্ৰপত্ৰ গ্ৰহণ কৰা নহব ।

৮) প্ৰাৰ্থীসকলে সংযুক্ত প্ৰতিযোগিতা মূলক (মূল) পৰীক্ষা ২০১৩ ৰ বিষয়সূচী তথা পাঠ্য তালিকা আয়োগৰ ৱেবচাইত www.apsc.nic.in ৰ পৰা সংগ্ৰহ কৰিব পাৰিব । কোনো বিষয় সূচী তথা পাঠ্য তালিকাৰ কপি কোনো প্ৰাৰ্থীকে ব্যক্তিগত ভাৱে দিয়া নহব।

৯) আয়োগে সংযুক্ত প্ৰতিযোগিতা মূলক(মুল) পৰীক্ষা ২০১৩, ২০১৪ চনৰ মে/জুন, মাহত গুৱাহাটীত অনুস্থিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। পৰীক্ষাৰ সঠিক তাৰিখ উপযুক্ত সময়ত ঘোষণা কৰা হব।

(এ.নন্দ বাবু সিংহ, অ.অ.সে.)
প্ৰধান পৰীক্ষা নিয়ন্ত্ৰক
অসম লোকসেৱা আয়োগ,
জৱাহৰনগৰ, খানাপাৰা, গুৱাহাটী-২২